সোনমৰ

# লাডাখ!

মনিষ লাখানী



‘কথা’ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক



মই সোনম।
মই লাডাখত থাকোঁ।

সোনম তাইৰ বন্ধু মনিষ লাখানী
আৰু তাইৰ পোহনীয়া কুকুৰটো।



মই পঞ্চম শ্ৰেণীত পঢ়োঁ।

মই পৰিয়ালৰ পছমীনা
পালবোৰৰো চোৱাচিতা কৰোঁ।



মই চাংপা জনজাতিৰ অন্তৰ্গত।
আমি হ'লো অঘৰী ভেড়াৰখীয়া।



শীতকালত লাডাখত সকলো ফালেই বৰফময়। আনকি ডাঙৰ জলপ্ৰপাতবোৰো!

কিন্তু লাডাখৰ গ্ৰীষ্ম ঋতু গৰম আৰু ৰঙচঙীয়া।





লাডাখৰ চ'কাৰ হ্ৰদ মোৰ আটাইতকৈ
প্ৰিয় হ্ৰদ।



মই খেলি ভালপাওঁ! আৰু চাইকেল
মোৰ প্ৰিয় বন্ধু।



কিন্তু মোৰ কণমানি বন্ধু প্ৰেমাই তাইৰ পোহনীয়া ছাগলীটোৰ লগতহে খেলি ভাল পায়।



আইতাই মোক সদায় কয় যে, এবাকচ টকাতকৈ পোহনীয়া ভেড়া, ছাগলী আৰু কুকুৰ বেছি মূল্যৱান।



য়াকৰ নোমৰ পৰা তৈয়াৰী
টম্বুত আমি থাকোঁ।
এইটো আমাৰ ৰান্ধনীঘৰ।




য়াকবোৰ আমাৰ বন্ধু।
সিহঁতে আমাক খাদ্যৰ যোগান ধৰে।


লাডাখত অন্য জীৱজন্তুও পোৱা যায়।


শান্ত ঘোঁৰাবোৰ।


দুৰ্লভ ইউৰেছিয়ান উদ।


আৰু চাংকু নামৰ হিমালয়ান কুকুৰনেছীয়া বাঘ।



লাডাখত বহুত বৌদ্ধ মন্দিৰ আছে। এইটো থীকচে সম্প্ৰদায়ৰ মন্দিৰ। সিন্ধু উপত্যকাত এই মন্দিৰ অৱস্থিত।



কিন্তু সকলোতকৈ ভাল লগা কথা
হ'ল- তৰা ভৰা আকাশৰ সৈতে
লাডাখৰ সেই সুন্দৰ ৰাতিবোৰ!



# হিমালয়ৰ হৃদস্পন্দন


তোমাৰ নগৰ নাইবা চহৰৰ পৰা লাডাখলৈকে ৰেখা অংকন কৰা।

# চাংপাসকল

চাংপাসকল ঋতুকালিন অঘৰী জনজাতিৰ লোক। হিমালয় পৰ্বতত তিব্বতৰ পৰা লাডাখলৈকে আৱৰি থকা চাংথাং নামৰ পৃথিৱীৰ অন্যতম ঠাণ্ডা মৰুভূমিত এওঁলোকে বসবাস কৰে।

মাংস আৰু পছমীৰ ব্যৱসায় কৰিবৰ বাবে চাংপাসকলে এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰে।

য়াকৰ নোমেৰে চাংপাসকলে পছমীনা নামৰ অতি সুন্দৰ বস্ত্ৰ তৈয়াৰ কৰে।



চাংপাসকলে বাৰ্লি, ঘেঁহু আৰু মটৰৰ খেতি কৰে।

## লাডাখৰ গলিত হিমবাহ বা তুষাৰ নৈ

লাডাখত বহুতো হিমবাহ আছে। এইবোৰ আমাৰ বাবে অতিকে প্ৰয়োজনীয়। কিন্তু ক্ৰমবৰ্ধমান প্ৰদূষণ তথা গছ-গছনিবোৰ কটাৰ ফলত আমাৰ পৃথিৱীখন ক্ৰমান্বয়ে গৰম হৈছে আৰু লাডাখৰ হিমবাহবোৰ গলিবলৈ লৈছে।

### ভাৱা

লাডাখৰ হিমবাহবোৰৰ গলন বন্ধ কৰিবলৈ হ'লে আমি কেনেকৈ প্ৰদূষণ ৰোধ কৰিম?

### প্ৰশ্ন কৰা

পৰিৱেশৰ সুৰক্ষাৰ বাবে আমি কি কৰিব পাৰোঁ?

### আলোচনা কৰা

প্ৰদূষণ ৰোধ কৰিবৰ বাবে তোমাৰ বন্ধুসকলৰ লগত ছমহীয়া আঁচনি তৈয়াৰ কৰা।

### কাৰ্য কৰা

তোমাৰ নিজৰ কাম কৰা।মাত্ৰ কেইটামান বস্তুৰে আৰম্ভ কৰা।

- যিমান পাৰা সিমান খোজ কাঢ়া নাইবা চাইকেল চলোৱা।
- বিদ্যুৎ ৰাহি কৰা।
- পেলনীয়া সামগ্ৰী পুনৰ ব্যৱহাৰ কৰা।
- কাপোৰৰ মোনা ব্যৱহাৰ কৰা। প্লাষ্টিক সামগ্ৰীক ন'(No) কোৱা।
- গছপুলি ৰোৱা।
- ঘৰৰ ওচৰতে পোৱা খাদ্য-সামগ্ৰী কিনা আৰু খোৱা।




আঁহা, মোক লাডাখত চোৱাহি!

মনিষ লাখানীঃ ফটোগ্ৰাফাৰ আৰু অভিযানপ্ৰিয় মনিষ লাখানীয়ে তেওঁৰ কেমেৰাটো, চাইকেলখন আৰু পৰ্বত ভাল পায়। পৰ্বতক ভালপোৱা বাবেই বাৰে বাৰে লাডাখে তেওঁক হাত বাউলি মাতে।

# KATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিৱৰ্তন আনিব পাৰে। **— পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা, 2021, 2021
পাঠ্যস্বত্ব © সুনেইনা আলি
অংকন স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।
১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।




আই লাভ ৰিডিং লাইব্ৰেৰী' হ'ল গ্ৰন্থৰ এক অনন্য ছিৰিজ, যি নতুন আৰু দুৰ্বল পাঠকসকলক সলসলীয়াকৈ পঢ়িবলৈ সুবিধা প্ৰদান কৰে।ই বিদ্যালয়ৰ বিভিন্ন স্তৰত থকা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয়তা অনুসৰি উচ্চমানৰ বিষয়বস্তু আৰু চিত্ৰৰ লগতে বিশ্বৰ বৰেণ্য সাহিত্যিকৰ সৃষ্টি আৰু শিল্প কৰ্মক একত্ৰিত কৰিছে। আমাৰ গ্ৰন্থসমূহ গীতা ধৰ্মৰাজনৰ 'ষ্টৰি পেদাগজী'ত প্ৰকাশ কৰা হৈছে। ই হৈছে এক অন্যতম শিক্ষামূলক মডেল, য'ত বিশেষভাৱে প্ৰথম প্ৰজন্মৰ পাঠকসকলৰ পঢ়াৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু শিশুক উচ্চ ধাৰণা আৰু এখন আকৰ্ষণীয় জগতলৈ লৈ যোৱা হয়।(TA-DAA! ভাবক, প্ৰশ্ন কৰক, আলোচনা কৰক,কাৰ্য কৰক আৰু অৰ্জন কৰক)

'কথা'ৰ 'হলিষ্টিক আৰ্লি লাৰ্নিং(KHEL)লেব'-এ চৰকাৰী, অ-লাভজনক আৰু বেচৰকাৰী স্কুল শিক্ষকৰ বাবে বিভিন্ন কৰ্মশালাৰ আয়োজন কৰে।অনলাইনত হোৱা এই মুখামুখি(F2F—Face-to-Face)কৰ্মশালাসমূহে শিক্ষক, বিদ্যালয়ৰ প্ৰশাসক আৰু সেস্বাসেৱকসকলক চাৰ্টিফিকেট প্ৰদান কৰে। অধিক জানিবলৈ, এই ঠিকনাত যোগাযোগ কৰক-300m@katha.org

## এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক








































**FOR OUR BOOKS**

www.books.katha.org

'কাহিনীটোৰ দ্বাৰা ভাৰতৰ বহু সাংস্কৃতিক পৰিচয় প্ৰকাশ পাইছে'
—দ্য পায়োনিয়াৰ

শিশুসকলৰ বাবে
কথা গুৰুনাথ
ISBN 978-93-88284-81-3
9 789388 284813
www.katha.org
` xxx

ষ্টেগো চিৰিজৰ অন্তৰ্গত